**অসম বিধান সভা**

**তৰা বিহীন প্ৰশ্ন নং : ২৬৫**

**উত্তৰ দিবলগীয়া তাৰিখ : ১৩/০৭/২০২৬**

বিষয় : **ৰাজ্যিক আৰু গ্ৰাম্য পথ মেৰামতি**

বিধায়ক : ড° তপন দাস :

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ডিমৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কিমান কিলোমিটাৰ ৰাজ্যিক আৰু গ্ৰাম্য পথ জৰাজীৰ্ণ অৱস্থাত আছে ? এই পথসমূহ মেৰামতিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) ডিমৰীয়া বিভিন্ন সংযোগী পথৰ বহলীকৰণ আৰু আধুনিকীকৰণৰ বাবে কোনো নতুন প্ৰকল্প অনুমোদিত হৈছে নেকি ?

(গ) বৰ্ষাকালত ক্ষতিগ্ৰস্ত হোৱা পথ দলংসমূহ মেৰামতিৰ বাবে কিমান ধন আবন্টন কৰা হৈছে ?

**::উত্তৰ::**

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহদয়ে উত্তৰ দিব :**

(ক) ডিমৰীয়া বিধানসভা সমষ্টিত বৰ্তমান প্ৰায় ১৭.২০ কি: মি: ৰাজ্যিক পথ আৰু ৩৮.৮৭ কি: মি: গ্ৰাম্য পথ মেৰামতি কৰিব লগা অৱস্থাত আছে ।

এই পথ সমূহৰ নিৰ্মাণ/পুন:নিৰ্মাণৰ বাবে বিভাগীয় অগ্ৰাধিকাৰ, কাৰিকৰী সম্ভাৱনীয়তা তথা অনান্য প্ৰাসংগিক বিষয় আৰু পুঁজিৰ উপলব্ধতাৰ ভিত্তিত পৰ্য্যায় ক্ৰমে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব ।

(খ) চলিত বৰ্ষত এতিয়ালৈকে ডিমৰীয়া বিধানসভা সমষ্টিত বিভিন্ন সংযোগী পথৰ বহলীকৰণ আৰু আধুনিকীকৰণৰ বাবে বিভাগীয় অনুমোদন লাভ কৰা হোৱা নাই । অৱশ্যে, ইৰাংজী ২০২৫-২৬ বিত্তীয় বৰ্ষত Asom Mala 3.0 আঁচনিৰ অধীনত" যোৰাবাট (আমচাং)ৰ পৰা ডিগাৰুলৈ, Ch 0.00 কি:মি: (নাৰেংগী আৰ্মী কেন্টনমেন্ট)ৰ পৰা Ch. ১৮.২৪৮ কি: মি: (ডিগাৰু) পথৰ কামৰ বাবে ৯০১১.৪০ লাখ টকা আবন্টন দিয়া হৈছে আৰু কামটো চলি আছে ।

(গ) বৰ্তমানলৈ উক্ত সমষ্টিত বৰ্ষাকালত ক্ষতিগ্ৰস্ত হোৱা পথ দলংসমূহ মেৰামতি/পুন:নিৰ্মাণৰ বাবে বিভাগীয়ভাৱে কোনো ধৰনৰ আবন্টন হোৱা নাই ।

The reply uploaded in the portal

---000---